**বিদ্যালয়ৰ নেতৃত্ব: ছাত্ৰ-ছাত্ৰীৰ পৃষ্ঠভূমি বুজি পোৱা**

| অসমীয়া |
|---|
| আমাৰ বিদ্যালয়খন গ্ৰামাঞ্চলৰ এখন গাঁৱত অৱস্থিত। এখন গাঁৱত হোৱাৰ বাবে, ইয়াত উপস্থিত থকা শিশুসকল প্ৰধানকৈ নিম্ন আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ পৰা আহে আৰু সিহঁতে পচন্দ কৰে এই চৰকাৰী বিদ্যালয় খনলৈ অহাটো।<br><br>যিহেতু সকলোৱেই জানে যে ইয়াৰ মাচুলসমূহ নাম মাত্ৰহে, সেইবাবে ইয়াৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই নিম্ন আৰ্থ-সামাজিক পৃষ্ঠভূমিৰ পৰা অহা।<br><br>এইটো কাৰণতে, আমাৰ সকলো আঁচনিতে এটা কথা গুৰুত্বপূৰ্ণ হৈ পৰে সেয়া হৈছে বিদ্যালয়খনৰ প্ৰাসংগিক বিষয় আৰু শিশুসকলৰ ঘৰুৱা জীৱন।<br><br>ইয়াৰ লগতে আমি বুজি পাব লাগিব সিহঁতৰ পৰিয়ালৰ পৃষ্ঠভূমি, লিখা-পঢ়াৰ সামৰ্থতা আৰু বুজিব পৰা দক্ষতাৰ বিষয়ে। আমি লিপিবদ্ধ কৰি ৰাখোঁ অভিভাৱকসকলৰ জীৱিকা, ঘৰুৱা পৰিৱেশ, সহোদৰহঁতৰ বিষয়ে। এই সকলোবোৰ তথ্য আমাৰ হাতত আছে। আমি এটা জৰীপ অনুষ্ঠিত কৰিছিলো আৰু শিশুসকলেও এই প্ৰশ্নাৱলীৰ সম্পূৰ্ণ উত্তৰ দিছিল যাতে আমি শিশুসকল তথা সিহঁতৰ নিৰ্দিষ্ট পৃষ্ঠভূমি অনুযায়ী ক্ৰিয়াকলাপসমূহ যুগুতাই ল'ব পাৰো।<br><br>আমাৰ শিশুসকলৰ বাবে আমি এটা প্ৰ'ফাইল প্ৰস্তুত কৰিলো।<br><br>মই যেতিয়া এই বিদ্যালয়ত যোগদান কৰিছিলো, মোৰ মনত আছে শস্য চপোৱাৰ বতৰত শিশুহঁতৰ উপস্থিতি অতি সেৰেঙা আছিল। অধিকাংশ অভিভাৱকেই কৃষিকৰ্মৰ লগত জড়িত আছিল বাবে খেতিৰ কামত সহায় কৰিবলৈ তেওঁলোকে ল'ৰা-ছোৱালীবোৰক ঘৰতে ৰাখিছিল।<br><br>যিবোৰ ল'ৰা-ছোৱালী নৱম আৰু দশম শ্ৰেণীত আছে সিহঁত বয়সত ডাঙৰ, গতিকে সিহঁতে অভিভাৱকক সহায় কৰে। মই এই বিষয়ে ল'ৰা-ছোৱালীবোৰৰ লগত আলোচনা কৰিলো আৰু সেৰেঙা উপস্থিতিৰ ল'ৰা-ছোৱালীৰ বিষয়ে আমাৰ শিক্ষকসকলৰ লগত আলোচনা কৰিলো।<br><br>পথাৰত যেতিয়া ঘেহুঁ সিঁচা, ধান কটা বা ধান সিঁচাৰ নিচিনা যথেষ্ট কাম থাকে তেতিয়া এই ল'ৰা-ছোৱালীবোৰে পথাৰত কাম কৰে। প্ৰথমতে আমি এই বিষয়ে ল'ৰা-ছোৱালীবোৰৰ আগত ব্যাখ্যা কৰিলো প্ৰাৰ্থনা আৰু সদনৰ সময়ছোৱাত। মই সিহঁতক পতিয়ন নিয়াইছিলো যে সিহঁতৰ গাঁৱত এই বিদ্যালয়খন থকাৰ বাবে সিহঁত অতি ভাগ্যবান। নহ'লে সিহঁতে অষ্টম শ্ৰেণীৰ পাছত পঢ়িবৰ বাবে বহুদূৰ যাবলগীয়া হ'লহেঁতেন।<br><br>মই এই কথা কোৱা নাছিলো যে সিহঁতে পঢ়িবলৈ সমৰ্থ নহ'ব। মই কৈছিলো সম্ভৱতঃ সিহঁতে পঢ়িবলৈ বহুদূৰ যাবলগীয়া হ'ব পাৰে আৰু এইক্ষেত্ৰত তেওঁলোক অতি ভাগ্যবান। সিহঁতে পিতৃ-মাতৃক কৈছিল যে সিহঁতৰ বিদ্যালয়খন অতি সুন্দৰ, আমি সিহঁতক খুউব ভালকৈ পাঠদান কৰোঁ আৰু ইয়াত অধ্যয়ন কৰি সিহঁত ভাল মানুহ হৈ উঠিব। সিহঁত একো একোজন শিক্ষক, চিকিৎসক বা অভিযন্তা হোৱাৰ বিষয়টোত মই মনোনিৱেশ কৰা নাছিলো। মই সিহঁতক কৈছিলো যে প্ৰথমে এজন ভাল মানুহ হোৱাটোহে গুৰুত্বপূৰ্ণ কথা।<br><br>মই সিহঁতক কৈছিলো যে সিহঁত বিদ্যালয়ত অনুপস্থিত থকাৰ প্ৰকৃত কাৰণটো আমাক জনোৱা উচিত, মিছা মতা উচিত নহয়। আৰম্ভণিতে মই এইটো বিষয়ত যথেষ্ট মনোনিৱেশ কৰিছিলো। মই কৈছিলো, 'তুমি যেতিয়া বিদ্যালয়ত অনুপস্থিত থাকিবা সেই বিষয়ে মোক সঁচা কথা ক'বা। তুমি পথাৰত কাম কৰিবলৈ গৈছিলা নে কোনোবা সম্পৰ্কীয় লোকৰ ঘৰলৈ গৈছিলা নে কোনোবা আলহী আহিছিল। তেতিয়া লাহে লাহে ল'ৰা-ছোৱালীবোৰে মোক সঁচা কথা ক'বলৈ আৰম্ভ কৰিছিল। |

যেতিয়া সিহঁতে মোক সঁচা কথা ক'বলৈ আৰম্ভ কৰিলে, মই ইতিবাচক প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ ধৰিছিলো। এতিয়া সেয়াই হৈছে আজিৰ পৰিস্থিতি। যদিহে কোনোবাটো শিশুৱে অনুপস্থিতিৰ বাবে ছুটী বিচাৰে, তেওঁলোকে প্ৰথমে এখন আৱেদন দাখিল কৰিব লাগিব, - "যে মোৰ কিছু কাম আছে দুই বা তিনিদিনৰ বাবে।"

প্ৰথমে সিহঁতে মোৰ ওচৰলৈ আহিব লাগিব আৰু কাৰণটো মোক জনাব লাগিব আৰু যদিহে কাৰণটো সঁচা হয় তেন্তে মই শিক্ষকক অৱগত কৰোঁ আৰু আমি সিহঁতক বাৰণ নকৰো। অন্যথা সিহঁতে আমাক নজনোৱাকৈয়ে অনুপস্থিত হৈ থাকিব লাগিব।

গতিকে, গ্ৰামাঞ্চলত উপস্থিতি উন্নত কৰিবৰ বাবে আমি শিশুক নৈতিক মূল্যবোধৰ শিক্ষা দিয়া প্ৰয়োজন। সকলো শিশুৱেই ভাল। এই সকলোখিনি নিৰ্ভৰ কৰে আমি সিহঁতক কেনেকৈ চলাইছো তাৰ ওপৰত। যদিহে আমি সিহঁতক গালি পাৰো আৰু কওঁ, 'তুমি যদিহে স্কুললৈ নাহা আৰু অনুপস্থিত থাকা তেন্তে আমি তোমাক স্কুলৰ পৰা উলিয়াই দিম', সিহঁতৰ প্ৰতিক্ৰিয়া হ'ব, 'ঠিক আছে তাকেই কৰা, আমি এনেও খেতি-খোলাত কাম কৰিবই লাগিব।'

কিন্তু বুজাবুজিৰ মাধ্যমেৰে সিহঁতৰ সমস্যা, সিহঁতৰ পৃষ্ঠভূমি তথা অভাৱৰ ভাগ লৈ আমি যুগুতাই ল'ব লাগিব আমাৰ শিক্ষণ আৰু শিকণ প্ৰক্ৰিয়া। ইয়াত উপস্থিত হোৱাৰ পাছত মই এই বিষয়ৰ ওপৰত কাম আৰম্ভ কৰিছিলো আৰু এতিয়াও এই দিশত আগবাঢ়ি আছো।

এতিয়া উপস্থিতিৰ সংখ্যা দিনে দিনে বৃদ্ধি পাইছে।